কৰিব পাৰে।

## স্থানীয় শাসন ব্যৱস্থাৰ বৈশিষ্ট্য 2023

## [CHARACTERISTICS OF LOCAL GOVERNANCE]

তিনি তৰপীয়া শাসন ব্যৱস্থাৰ ভিতৰত স্থানীয় শাসন ব্যৱস্থাও অন্যতম। ভাৰতবৰ্ষত গ্ৰাম্য এলেকাৰ স্থানীয় শাসন ব্যৱস্থাই হ'ল পঞ্চায়তীৰাজ। স্থানীয় শাসন ব্যৱস্থা গণতান্ত্রিক ৰাষ্ট্ৰৰ ভেটি। স্থানীয় শাসন ব্যৱস্থাৰ কিছুমান বৈশিষ্ট্য আছে। সেইবোৰ হ'ল ঃ

১। **নিৰ্দিষ্ট এলেকা (Definite Area) ঃ** আন চৰকাৰ ব্যৱস্থাৰ দৰে স্থানীয় শাসন ব্যৱস্থাৰো শাসনৰ নিৰ্দিষ্ট এলেকা থাকে। কিন্তু স্থানীয় শাসনৰ বাবে নিৰ্দিষ্ট কৰি দিয়া ভৌগোলিক এলেকা অন্য চৰকাৰ ব্যৱস্থা যেনে— কেন্দ্ৰীয় বা ৰাজ্যিক চৰকাৰ ব্যৱস্থাতকৈ তুলনামূলকভাৱে কম। স্থানীয় শাসন

কোনো এটা নির্দিষ্ট স্থানীয় এলেকাতে সীমাবদ্ধ। গাঁৱৰ স্থানীয় শাসনৰ বাবে ইয়াৰ জনসংখ্যা মাত্ৰ কেইবাশহে প্ৰয়োজন। চহৰত বা নগৰত এই সংখ্যাই হাজাৰৰ ঘৰ অতিক্ৰম কৰে। এই সংখ্যাই বিশেষকৈ এলেকাটোৰ আকাৰৰ ওপৰতহে অধিক নির্ভৰ কৰে। জনসংখ্যা অনুপাতে অঞ্চল এটাই স্থানীয় শাসনৰ সুবিধা পায়।

২। **জবাবদিহি** (Accountable) ঃ স্থানীয় চৰকাৰ স্থানীয় কাম-কাজত জড়িত থাকে বাবে স্থানীয় লোকৰ ওচৰৰ চৰকাৰ জবাবদিহি হয়। এই শাসন ব্যৱস্থা জনসাধাৰণৰ সম্পূর্ণ নিয়ন্ত্ৰণত থাকে বাবে চৰকাৰক ভালদৰে কাম কৰাবলৈ বাধ্য কৰাব পাৰে। নির্বাচনৰ জৰিয়তে স্থানীয় চৰকাৰক বাছনি কৰা হয় বাবে এই চৰকাৰ জনসাধাৰণৰ ওচৰত অধিক জবাবদিহি। যদি চৰকাৰে দক্ষতাৰে কাম সম্পন্ন নকৰে তেতিয়া জনসাধাৰণে চৰকাৰক সমালোচনা কৰাৰ লগতে পিছৰ নির্বাচনত পৰাজিত কৰিব পাৰে।

৩। **স্থানীয় অংশগ্ৰহণ** (Local Participation) ঃ স্থানীয় এলেকাৰ বাসিন্দাসকলে সেই এলেকাৰ স্থানীয় চৰকাৰৰ কাম-কাজত অংশগ্ৰহণ কৰাটো বাঞ্ছনীয়। স্থানীয় জনসাধাৰণৰ চৰকাৰৰ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়া আৰু প্ৰশাসন প্ৰক্ৰিয়াত অংশগ্ৰহণেহে স্ব-চৰকাৰ ব্যৱস্থাক পূর্ণতা প্ৰদান কৰে। ইয়াক তৃণমূল পর্যায়ৰ গণতন্ত্ৰ বুলিও কোৱা হয়। স্থানীয় চৰকাৰ ব্যৱস্থাত জনসাধাৰণে শাসন প্ৰক্ৰিয়াত অংশগ্ৰহণৰ পূর্ণ সুযোগ পায়।

৪। **স্ব-শাসিত মর্যাদা** (Autonomous Status) ঃ স্থানীয় চৰকাৰৰ স্বায়ত্ততা এই ব্যৱস্থাৰ বিধিগত মর্যাদাৰ প্ৰাকৃতিক পৰিণতি। ভাৰতবর্ষত সংসদে আইন গৃহীত কৰি স্থানীয় চৰকাৰ ব্যৱস্থা প্ৰণয়ন কৰাৰ পাছৰেপৰা এই আইনখনে স্থানীয় চৰকাৰৰ ক্ষমতা, কার্যাৱলী আদিবোৰৰ ক্ষেত্ৰত কেন্দ্ৰ বা ৰাজ্যিক চৰকাৰৰ লগত সম্পৰ্ক স্থাপিত কৰিছে। স্থানীয় চৰকাৰৰ গঠন, কার্যকাল আদি আইনখনত উল্লেখ কৰা হৈছে। আইনখনত উল্লেখ থকা মতেহে কেন্দ্ৰ আৰু ৰাজ্যিক চৰকাৰে স্থানীয় চৰকাৰৰ ওপৰত নিয়ন্ত্ৰণ কৰিব পাৰে। এইটোৱে ইয়াকে বুজাই যে স্থানীয় চৰকাৰে ইয়াৰ নিজস্ব পৰিধিৰ ক্ষেত্ৰত ক্ষমতা ব্যৱহাৰ আৰু কার্যসমূহৰ ৰূপায়ণত যথেষ্টখিনি স্বায়ত্ততা লাভ কৰিছে। আইনখনত থকা বিধিসমূহ সংশোধন নোহোৱা পর্যন্ত স্থানীয় চৰকাৰে উক্ত স্বায়ত্ততাৰ মর্যাদা পাই থাকিব।

৫। **স্থানীয় জনসাধাৰণলৈ জনসেৱা** (Services to Local People) ঃ স্থানীয় চৰকাৰৰ প্ৰধান উদ্দেশ্য হ'ল ইয়াৰ এলেকাৰ নাগৰিকৰ বাবে জনসেৱাৰ ব্যৱস্থা কৰা। এই সেৱাসমূহে জনসাধাৰণক সুস্থিৰ আৰু সুশৃংখল জীৱন-যাপনত সহায় কৰে। যিহেতু স্থানীয় পর্যায়ত প্ৰয়োজনীয় জনসেৱাৰ অনুধাৱন কৰিবলৈ স্থানীয় সমস্যা আৰু সম্ভাৱনাৰ সঠিক ধাৰণাৰ প্ৰয়োজন, স্থানীয় প্ৰশাসনে এই ক্ষেত্ৰত দক্ষভাৱে কাম কৰিব পাৰে।

৬। **সমূহীয়া উদ্দেশ্য** (General Purpose) ঃ স্থানীয় শাসন হ'ল স্থানীয় এলেকাৰ সমূহীয়া উদ্দেশ্য সাধনৰ বাবে গঠিত এক ব্যৱস্থা। ইয়াৰ উদ্দেশ্য বহুত। স্থানীয় শাসন ব্যৱস্থাৰ বিভিন্ন ধৰণৰ কাম-কাজ, যেনে— স্বাস্থ্যৰ যতন, প্ৰাথমিক শিক্ষা, ৰাজহুৱা স্বাস্থ্য বিধিসন্মত ব্যৱস্থাৱলী, জন্ম-মৃত্যুৰ পঞ্জীয়ন, পুথিভঁৰালৰ ব্যৱস্থা, পানী যোগান, স্থানীয় পৰিবহণ ব্যৱস্থা পৰিচালনা আদিৰ লগতো জড়িত।

৭। **বিধিগত মৰ্যাদা (Statutory Status) ঃ** স্থানীয় শাসন ব্যৱস্থাই বিধিগত মৰ্যাদা উপভোগ কৰিব পাৰে। বিভিন্ন দেশত এই বিধিগত মৰ্যাদাৰ স্বৰূপ ভিন্ ভিন্। ভাৰতবৰ্ষত পোন প্ৰথমে এনে বিধি সংসদত গৃহীত হৈছিল। তাৰ পাছৰ পৰ্যায়ত ৰাজ্যসমূহেও নিজ-নিজ ৰাজ্যৰ বাবে বিধি প্ৰণয়ন কৰা দেখা যায়। জনজাতীয় বা অন্যান্য কেতবোৰ বিশেষ অঞ্চলত স্থানীয় বিধিৰো এক গুৰুত্বপূৰ্ণ ভূমিকা থাকে।

## পঞ্চায়তীৰাজ অনুষ্ঠানসমূহৰ গণতান্ত্ৰিক কাম-কাজ শক্তিশালীকৰণ